জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮২০/২০২০

# টিংখাং সমষ্টিত কেইবাখনো আঁচনিৰ শুভ উদ্বোধন কৰাৰ লগতে মাটিৰ পট্টা আৰু ঘূৰ্ণীয়মান পুঁজি প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্য চৰকাৰৰ শাসন ব্যৱস্থাৰ ওপৰত জনসাধাৰণৰ আস্থা আৰু বিশ্বাস বৃদ্ধি পাইছে ঃ মুখ্যমন্ত্ৰী

## বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত ভাষা-গোষ্ঠীৰ নামত সংঘাত সূচনা কৰাৰ বাবে কাকো সুযোগ দিয়া হোৱা নাই ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ উন্নয়নক এক নতুন মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কেইবাখনো আঁচনিৰ শুভাৰম্ভ কৰাৰ উপৰি আন কেইবাখনো আঁচনিৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে আজি এই উপলক্ষে টিংখাঙৰ গান্ধী ময়দানত আয়োজিত বিশাল জনসভাত টিংখাং সমষ্টিৰ ১৯৫৯ গৰাকী ভূমিহীন খিলঞ্জীয়া ব্যক্তিলৈ ভূমি পট্টা তথা আৱণ্টন পত্ৰ বিতৰণ কৰাৰ উপৰি অসম দৰ্শন আঁচনিৰ অধীনত ৫৫ টা নামঘৰৰ পুনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী সোণোৱালে লোক নিৰ্মাণ বিভাগৰ অধীনত ৫১ টা পথ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত ১৭ টা পানী যোগান আঁচনিৰ নৱীকৰণ, গ্ৰামোন্নয়ন বিভাগৰ চতুৰ্দশ বিত্ত আয়োগৰ পুঁজিৰে ২০ টা চাহ বাগিচাৰ শিশু ওমলা ঘৰৰ নৱীকৰণ, জলসম্পদ বিভাগৰ অধীনত টাই বান্ধৰ মেৰামতি কাৰ্যৰ শুভাৰম্ভ কৰাৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত কনকলতা মহিলা সৱলীকৰণ আঁচনিৰ অধীনত ৬৩৮ টা মহিলা আত্ম-সহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে চতুৰ্দশ বিত্ত আয়োগৰ পুঁজিৰে ২৬২ খন বিদ্যালয়ৰ পুনৰনিৰ্মিত গৃহৰ শুভ উদ্বোধন কৰে আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ অধীনত আৱণ্টিত ২৪৭৭ টা ঘৰৰো শুভ উদ্বোধনো কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ২০১৬ চনত শাসনলৈ আহি বৰ্তমানৰ ৰাজ্য চৰকাৰে উন্নয়নৰ যি প্ৰতিশ্ৰুতি দিছিল সেয়া সফলতাৰে বাস্তৱায়িত কৰাত বিগত চাৰে চাৰি বছৰত টিংখাং সমষ্টিয়ে দৃষ্টান্তমূলক সফলতা লাভ কৰিছে। এই সফলতাৰ আঁৰত স্থানীয় বিধায়ক বিমল বৰাই নিঃস্বাৰ্থ জনসেৱাত জড়িত হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

২০১৬ চনত ক্ষমতালৈ অহাৰ সময়ত বৰ্তমানৰ ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে বৃহত্তৰ অসমীয়া সমাজৰ বাবে সততা, নিষ্ঠাৰে কাম কৰি যাব আৰু দুৰ্নীতিমুক্ত, প্ৰদূষণমুক্ত, বিদেশীমুক্ত আৰু সন্ত্ৰাসবাদমুক্ত এখন অসম গঢ়ি তুলিব। এই দিশত চৰকাৰখনে উল্লেখযোগ্য সফলতা লাভ কৰিছে বুলিও তেওঁ কয়। অসমে বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত যাতে দেশৰ ভিতৰতে উচ্চ স্থান লাভ কৰিব পাৰে আৰু প্ৰশাসন ব্যৱস্থাটোক স্বচ্ছ আৰু নিকা কৰাৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ক'ভিড ব্যৱস্থাপৰ যোগ্য প্ৰত্যুত্তৰ দি অসমে ক'ভিড ব্যৱস্থাপনাৰ ক্ষেত্ৰত এক দৃষ্টান্ত দাঙি ধৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ ভিতৰতে এই ক্ষেত্ৰত অসমে উল্লেখযোগ্য স্থান লাভ কৰিছে। স্বাস্থ্যকৰ্মী, আৰক্ষী, খাদ্য আৰু অসামৰিক যোগান, পৰিবহন, প্ৰশাসন সকলোৱে 'টীম অসম'ৰ মানসিকতাৰে ক'ভিড প্ৰতিৰোধী যুঁজত দিনে-নিশাই কাম কৰিছে। এখন সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ বাবেও ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে। বৰ্তমানৰ চৰকাৰৰ এই কাৰ্যকালতে ১০ হাজাৰ উগ্ৰপন্থীয়ে আত্ম সমৰ্পণ কৰি অস্ত্ৰ-শস্ত্ৰ জমা দিছে। দুৰ্নীতিমুক্ত অসম গঢ়াৰ লক্ষ্যৰে অসম আৰক্ষীয়ে এ পি এছ চিৰ পৰা আৰম্ভ কৰি বিভিন্ন দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা লৈছে। প্ৰদূষণমুক্ত অসম গঢ়াৰ বাবে বৃক্ষ ৰোপণৰ বাবে চৰকাৰে যি আহ্বান জনাইছিল তাৰ প্ৰতি ৰাইজে সঁহাৰি জনোৱাৰ বাবে অসমৰ বনাঞ্চলৰ পৰিসৰ বহুখিনি বৃদ্ধি পাইছে। ফৰেষ্ট চাৰ্ভে অৱ ইণ্ডিয়াৰ শেহতীয়া প্ৰতিবেদন অনুসৰি অসমৰ বনাঞ্চলৰ পৰিসৰ ২২২ বৰ্গ কিলোমিটাৰ বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ ৮ কোটি গছ পুলি নতুনকৈ ৰোপনৰ জৰিয়তে প্ৰকৃতিৰ প্ৰতি ৰাজ্য চৰকাৰৰ থকা দায়বদ্ধতা প্ৰকাশ পাইছে। ৰাইজ আৰু চৰকাৰৰ সহযোগিতাৰ বাবে এইয়া সম্ভৱ হৈছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে টিংখাং সমষ্টিৰ বিধায়ক বিমল বৰা আৰু জনসাধাৰণৰ যৌথ সহযোগত সমষ্টিটোৱে উল্লেখযোগ্য সফলতা লাভ কৰিছে। খেতিয়ক আৰু চাহ শ্ৰমিকৰ জীৱনলৈ উল্লেখযোগ্য পৰিৱৰ্তন আহিছে। মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰা হৈছে যাতে তেওঁলোক মাথোঁ পৰিয়ালৰে নহয়, সামাজিক বিকাশতো অগ্ৰণী ভূমিকা ল'ব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপিৰ কাৰ্যকালত মৰ্যাদা সহকাৰে সকলোৱে প্ৰাপ্য অধিকাৰ লাভ কৰিছে। ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা দৃঢ়তাৰে কাম কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৮ খন চিকিৎসা মহাবিদ্যালয়, ৯ অভিযান্ত্ৰিক মহাবিদ্যালয়, ৩২ খন পলিটেকনিক, ৪৫০ টা দক্ষতা উন্নয়ন কেন্দ্ৰ, সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, ভাৰতীয় কৃষি বিজ্ঞান প্ৰতিষ্ঠান, নেশ্যনেল ইনষ্টিটিউট অৱ ডিজাইন ইত্যাদিৰ দৰে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপনৰ পদক্ষেপে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যখনৰ ভিতৰতে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পথ প্ৰশস্ত কৰিছে। তেওঁ কয় যে মধ্যাহ্ন ভোজন আঁচনিৰ দুৰ্নীতি আঁতৰ কৰি শিশুসকলক উন্নত মানৰ খাদ্য যোগানৰ ব্যৱস্থা লোৱা হৈছে। খেতিয়ক, যুৱক-যুৱতীকে ধৰি সকলো পৰ্যায়ৰ লোকক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

১ লাখ ১০ হাজাৰ খিলঞ্জীয়া ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদানৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা জানুৱাৰী মাহৰ ভিতৰত আন ১ লাখ খিলঞ্জীয়া ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। এইখন চৰকাৰে কথাৰে নহয়, কামেৰে নিজকে প্ৰতিপন্ন কৰিছে। ভাৰতৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰাৰ বাবে কাম কৰি যাব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে সমন্বয়ৰ জৰিয়তে শক্তি বৃদ্ধি কৰিব লাগিব। ৰাজ্যখনৰ উৰ্বৰ মাটি সৎ ব্যৱহাৰ কৰি আত্মনিৰ্ভৰশীল হিচাপে গঢ়ি তুলিব লাগিব। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত ভাষা-গোষ্ঠীৰ নামত সংঘাত ৰচনা কৰাৰ বাবে কাকো সুযোগ দিয়া নাই। মিলাপ্ৰীতিৰে সমন্বয় গঢ়াৰ বাবে ইন্ধন যোগাই আহিছে। ৰাইজ লগত থাকিলে সকলো সম্ভৱ বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

সভাত ভাষণ প্ৰদান কৰি বিধায়ক বিমল বৰাই কয় যে পূৰ্বতে টিংখাং সমষ্টি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত আছিল। এই সমস্যাসমূহ সমাধানৰ বাবে পূৰ্বৰ চৰকাৰসমূহে দৃঢ়তাৰে পদক্ষেপ লোৱা নাছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত সমষ্টিটোৰ জনসাধাৰণে বহুখিনি নতুন সপোন দেখিবলৈ আৰম্ভ কৰিছে। ইতিমধ্যে বহু সপোনে সাৰ্থক ৰূপ লাভ কৰিছে। ভাষণ প্ৰসংগত আজি উদ্বোধন কৰা বিভিন্ন আঁচনিৰ বিষয়ে সবিশেষ ব্যাখ্যা কৰাৰ লগতে এই আঁচনিসমূহে সমষ্টিটোৰ দ্ৰুত উন্নয়ন সম্ভৱ কৰি তুলিব বুলিও বিধায়কগৰাকীয়ে কয়।

ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ সভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, নৰনীতা সন্দিকৈ, ঋতুপৰ্ণ বৰুৱা, অসম পেট্ৰ'কেমিকেল লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, বিশিষ্ট সমাজকৰ্মী ডেইজীৰাণী শ্যাম ফুকন, পুলক গোহাই, জগদীশ ৰাজকোঁৱৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃমিঃকঃ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**৯/১২/২০২০**